بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ওৱাকফে জাদিদৰ সপ্তষষ্ঠি বছৰত জামাতৰ সদস্য সকলে আগবঢ়োৱা আৰ্থিক কোৰবাণীৰ উল্লেখ আৰু অষ্টষষ্ঠি বছৰৰ আৰম্ভণীৰ ঘোষণা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৩ জানুৱাৰী ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে ছুৰা আল ইমৰানৰ ৯৩ নং আয়াত পাঠ কৰি ইয়াৰ অনুবাদ বৰ্ণনা কৰে। অনুবাদ ঃ তোমালোকে সম্পূণৰূপে পুণ্য অৰ্জন কৰিব নোৱাৰা যেতিয়ালৈকে নিজৰ পছন্দনীয় বস্তু খোদাৰ পথত খৰচ নকৰা, তোমালোকে যি খৰচ কৰা আল্লাহ ভালদৰে জানে। কৈছে যে এজন প্ৰকৃত মোমিন যিজন আল্লাহৰ বাট বিচাৰি থাকে তেওঁ সেই সমূহ বাট বিচাৰি থকা উচিত যি পথ খোদাৰ নৈকটৱৰ্তী। আল্লাহৰ পথত ধন খৰচ কৰাটো খোদা তা'লাই পুণ্য বুলি গণ্য কৰিছে। উক্ত আয়াতত এই বিষয়টো বৰ্ণনা কৰা হৈছে যে সেই সম্পদ যাৰ সৈতে তুমি ভালপোৱা সেইবোৰ যদি খোদাৰ বাটত খৰচ কৰা তেতিয়াহে এইটো হ'ব বৃহৎ পুণ্য কাম। সেয়েহে আল্লাহ তা'লা নিঃসন্দেহ সকলো পুণ্য কামৰ প্ৰতিদান দিয়ে, কিয়নো মানুহৰ ধন-সম্পদৰ প্ৰতি প্ৰেম থাকে ইয়াৰ প্ৰতি বিশেষ মনোযোগ আকৰ্ষণ কৰা হৈছে।

হজৰত মছীহ মাওউদ (আঃ)য়ে এই আয়াতৰ বিষয়ে কৈছে যে ধন-সম্পদৰ প্ৰতি ভালপোৱা থকাটো উচিত নহয়। আল্লাহ তা'লা কৈছে যে তোমালোকে পুণ্য কেতিয়াও অৰ্জন কৰিব নোৱাৰা যেতিয়ালৈকে নিজৰ প্ৰিয় বস্তু আল্লাহৰ বাটত খৰচ নকৰা। আঁহজৰত (ছাঃ)ৰ যুগৰ সৈতে যদি বৰ্তমান যুগৰ তুলনা কৰা হয় তেন্তে পৰিতাপ হয় যে প্ৰাণতকৈ কোনো বস্তু অধিক প্ৰিয় নহয়। সেই যুগত প্ৰাণ বিসৰ্জন দিবলগা হৈছিল; তোমালোকৰ নিচিনা তেওঁলোকৰও ল'ৰা-ছোৱালী স্ত্ৰী আছিল। প্ৰাণ সকলোৰে বাবে প্ৰিয়; কিন্তু তেওঁলোকে সদায় আল্লাহৰ বাটত কোৰবাণ হোৱাৰ সুযোগ বিচাৰিছিল। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে অসাৰ আৰু অমূল্য বস্তু খৰচ

কৰি কোনেও পুণ্য অৰ্জন কৰাৰ দাবী কৰিব নোৱাৰে। পুণ্যৰ দুৱাৰখন সংকীৰ্ণ। গতিকে এই বিষয়টো মস্তিষ্কত বহাই লোৱা উচিত অমূল্য বস্তু খৰচ কৰি কোনোবাই তাতে (দুৱাৰেদি) প্ৰৱেশ কৰিব নোৱাৰে কাৰণ কোৰআনত স্পষ্ট আছে যে لَنْ تَنَالُوا الْبِرَّ حَتّٰى تُنْفِقُوْنَ مِمَّا تُحِبُّوْنَ যেতিয়ালৈকে তোমালোকে নিজৰ প্ৰিয় বস্তু খৰচ নকৰা তেতিয়ালৈকে তোমালোকে প্ৰিয় হোৱাৰ মৰ্যাদা অৰ্জন কৰিব নোৱাৰা। তেখেত (আঃ)য়ে কৈছে যে চাহাবা সকলে বিনামূলীয়াকৈ এই মৰ্যাদা অৰ্জন কৰিছেনে? বাহ্যিক জগতৰ উপাধি অৰ্জন কৰাৰ বাবে কিমান খৰচ আৰু কষ্ট সহ্য কৰিব লাগে তেতিয়া  গৈ সামান্য উপাধি লাভ কৰে তথাপি সেইটোৱে হৃদয়ত শান্তি আৰু প্ৰশান্তি দিব নোৱাৰে। আকৌ ধাৰণা কৰা যে ৰাজিয়াল্লাহু আনহুমৰ উপাধি যিটো হৈছে হৃদয়ৰ প্ৰশান্তি আৰু খোদাৰ সন্তুষ্টি অৰ্জন কৰাৰ চিহ্ন, সেইটো ইমান সহজেই প্ৰাপ্ত হয় নে? খোদাক প্ৰতাৰণা কৰিব পৰা নাযায়, কল্যাণময় সেইসকল লোক যিসকলে খোদাৰ সন্তুষ্টি অৰ্জন কৰাৰ বাবে কষ্টৰ প্ৰতি ভ্ৰূক্ষেপ নকৰে; কিয়নো অনাদি আনন্দ আৰু চিৰন্তন আৰামৰ জেউতি এই ক্ষনস্থায়ী কষ্টৰ পিছতহে মোমিনসকৰ প্ৰাপ্ত হয়। পৃথিৱীত মানুহে ধন-সম্পদক বৰ ভাল পায়, সেই কাৰণে ইলমে তাবিৰ ৰোয়া (দিব্য দৰ্শনৰ ব্যাখ্যাৰ শিক্ষাত) লিখিছে যে যদি কোনো ব্যক্তিয়ে সপোনত দেখে যে তেওঁ নিজৰ যকৃত উলিয়াই কাৰোবাক দিছে তাৰ অৰ্থ হৈছে ধন-সম্পদ।
জামাত আহমদীয়াই ইয়াৰ গূঢ়াৰ্থ সঠিক ভাৱে বুজি পাইছে যে প্ৰকৃত পুণ্য অৰ্জন কৰাৰ বাবে প্ৰিয় বস্তু খৰচ কৰা জৰুৰী। এইটো নিশ্চিতভাৱে হজৰত মছীহ মাওউদ (আঃ)ৰ প্ৰশিক্ষণৰ প্ৰভাৱ যে আজিলৈকে এই কোৰবাণীৰ মানদণ্ড দেখিবলৈ পাই আছো; সেই মানদণ্ড যি চাহাবা সকলে প্ৰতিষ্ঠিত কৰিছিল তাৰ পিছত হজৰত মছীহ মাওউদ (আঃ)ৰ যুগত তেখেত (আঃ)ৰ চাহাবা সকলে প্ৰতিষ্ঠিত কৰিছে; তাৰ পিছত প্ৰত্যেক খলিফাৰ যুগতে তেনেকুৱা কোৰবাণী কৰোঁতা দেখা পাই আছো, আজিলৈকে এই কোৰবাণী আমি চাই আছো।
হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে মই নিশ্চিতভাৱে বিশ্বাস কৰো যে কৃপণতা আৰু ঈমান এখন হৃদয়ত একত্ৰিত হ'ব নোৱাৰে, জাতিৰ উচিত যে সকলো দিশৰ পৰা জামাতৰ সেৱা আগবঢ়োৱা উচিত। আৰ্থিক কোৰবাণীৰ দিশৰ পৰা কোনো ত্ৰুটি হোৱা উচিত নহয়। চাওঁক, পৃথিৱীত কোনো জামাত বিনা অনুদানেৰে নচলে.. সমগ্ৰ ৰছুলৰ যুগত অনুদান একত্ৰিত কৰা হৈছে, গতিকে আমাৰ জামাতৰ লোকসকলে এই বিষয়ৰ প্ৰতি গুৰুত্ব দিয়া উচিত। সকলোৱে যদি অংগীকাৰ কৰি এক পইচাও বছৰত দি থাকে তথাপি বহু কিছু হ'ব পাৰে। এই উদ্ধৃতিত হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত খলিফাতুল মছীহ আউৱাল (প্ৰথম)ৰ কোৰবাণী সন্দৰ্ভত হজৰত মছীহ মাওউদ (আঃ)ৰ কিছু বক্তব্য উত্থাপন কৰিছে। হজৰত খলিফাতুল মছীহ আউৱাল (ৰাঃ)য়ে এবাৰ হুজুৰ (আঃ)ক লিখিছিল যে হজৰত পিৰ মুৰশিদ মই বিনম্ৰভাৱে কওঁ যে মোৰ সকলো ধন-সম্পদ যদি ধৰ্ম বিস্তাৰ লাভ কৰাৰ বাবে খৰচ হয় তেতিয়া মই উদ্দেশ্যত সাফল্যমণ্ডিত হৈ গৈছো।

হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)য়ে যেতিয়া ওৱাকফে জাদিদ আৰু তেহেৰিকে জাদিদৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰে তেতিয়া কিছুমান দৰিদ্ৰ শ্ৰেণীৰ লোকসকলে অলপ অলপ ধন ৰাশি উত্থাপন কৰিছিল, কোনোবাই কুকুৰা লৈ আহিছিল, কোনোবাই কণী লৈ আহি কৈছিল যে আমাৰ ওচৰত যি আছিল আমি উত্থাপন কৰিলোঁ। এই সন্দৰ্ভত হুজুৰ আনোৱাৰ (আইঃ)য়ে খলিফা ৰাশিদুদ্দিন চাহাব (ৰাঃ)ৰ আৰ্থিক কোৰবাণীৰ বিস্তাৰিত বিৱৰণ বৰ্ণনা কৰে লগতে চাহাবা (ৰাঃ)সকলৰ কিছুমান বৰ্ণনা উল্লেখ কৰি কয় যে আজি আমি তেনেকুৱা আদৰ্শ দেখিবলৈ পাই আছো, তেনে ধৰণৰ আত্মা আজিও আমি জামাতৰ মাজত দেখা পাই আছো। ইয়াৰ পিছত হুজুৰ মাৰশ্বাল আইলেণ্ড, কাজকিস্তান, কেমৰুন, নাইজেৰিয়া,গেম্বিয়া, তানজানিয়া,চেকৰীপাব্লিক আদি দেশৰ সমূহৰ কিছুমান নিষ্ঠাবান সকলৰ কোৰবাণীৰ ঘটনাৱলী উত্থাপন কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ভাৰতৰ পৰা এজন ইন্সপেক্টৰ চাহাবে লিখিছে যে এজন বন্ধু আছে

তেওঁৰ ওৱাকফে জাদিৰ চান্দা বিশ হাজাৰ আছিল, অলপ কেইদিনমান বাকী আছিল তেওঁৰ ওচৰত যি ধন ৰাশি আছিল সেইবোৰ কোনো গুৰুত্বপূৰ্ণ কামৰ বাবে দিবলগা আছিল, তেওঁ আল্লাহৰ ওপৰত নিৰ্ভৰ কৰি সেই ধন ৰাশি চান্দা হিচাপে আগবঢ়ায়। দ্বিতীয় দিনাখন তেওঁৰ বেপাৰ-বাণিজ্যৰ বিপুল পৰিমাণৰ ধন ৰাশি ক'ৰবাত আবদ্ধ হৈ আছিল সেই ধন ৰাশি হঠাতে পাই যায়। চাওঁক আল্লাহ তা'লাই তেওঁক কলে যে তুমি মোৰ স্বাৰ্থত ধন-সম্পদৰ প্ৰতি প্ৰেম এৰি দি আছা আৰু নিজস্ব প্ৰয়োজনীয়তাক এৰি আছা, জামাতী প্ৰয়োজনীয়তাক পূৰণ কৰাৰ প্ৰয়াস কৰি আছা, গতিকে মই তোমাৰ সহায় কৰিম। এইদৰে আল্লাহ তা'লাই সহায় কৰি থাকে। জামাতৰ যি খৰচ হৈ আছে, বিশ্বজুৰি যি মিচন আছে, তেহেঁৰিকে জাদিদ আৰু ওৱাকফে জাদিদৰ চান্দা যিবোৰ বিশুদ্ধতাৰে সৈতে কেন্দ্ৰলৈ আহি থাকে, বাকী স্থানীয় দেশত খৰচ হৈ যায়, এই সমূহ খৰচ এই অনুদানেৰে হৈ আছে। আফ্ৰিকা যিখন দৰিদ্ৰ দেশ তথাপি তেওঁলোকে অনুদান দিয়ে, দুখীয়া হোৱা সত্ত্বেও তাতে মছজিদ আছে, মিছন হাউচ আছে, সেইবোৰ চলাবলৈ ধন ৰাশিৰ প্ৰয়োজন। আফ্ৰিকাত বৰ্তমানলৈকে ৭৯৫৩ খন মছজিদ নিৰ্মাণ হৈছে, ৩০৬  খন মছজিদ নিৰ্মাণৰ কাম চলি আছে, ১৮৬০ মিছন হাউচ কাৰ্যৰত আছে। চাৰিশ কেন্দ্ৰীয় মুবাল্লিগ আৰু দুই হাজাৰৰ অধিক মুৱাল্লিম সকলে কাৰ্যৰত আছে। এইদৰে কাদিয়ান, দক্ষিণ আমেৰিকা, দ্বীপ আদি দেশবোৰত ধন ৰাশি খৰচ হৈ থাকে। লিটাৰেচৰ প্ৰকাশৰ বাবে আৰু বিতৰণৰ বাবে খৰচ হৈ থাকে। এই সমূহ খৰচ আল্লাহ তা'লাই নিজৰ কৃপাৰে পূৰণ কৰি আছে।

আল্লাহ তা'লা হজৰত মছীহ মাওউদ (আঃ)ক এইটো কৈছিল যে ধন-সম্পদ মই তোমাক দান কৰিম আৰু এই অংগীকাৰ অনুসৰি ধন-সম্পদ প্ৰদান কৰি আছে, আল্লাহ তা'লাই জামাতক সেই ধন-সম্পদ সঠিক পথত ব্যয় কৰাৰ সৌভাগ্য দান কৰক, কেতিয়াও ইয়াতে যেন কোনো অনিয়মিত নহয়। হুজুৰ আনোৱাৰ (আইঃ)য়ে ওৱাকফে জাদিদৰ যোৱাৰ বছৰৰ প্ৰতিবেদনৰ উদ্ধৃতিত কৈছে যে আল্লাহ তা'লাৰ কৃপাত ওৱাকফে জাদিদৰ ৬৭ তম বছৰৰ অন্ত পৰিল। চলি থকা বছৰত বিশ্বজুৰী জামাত আহমদীয়াই খোদাৰ তা'লাৰ দৰবাৰত এক কোটি ছত্ৰিশ লাখ একাশী হাজাৰ পাউণ্ড অৰ্থাৎ প্ৰায় ১৪ মিলিয়ন আৰ্থিক কোৰবাণী উত্থাপন কৰাৰ সৌভাগ্য লাভ কৰিছে। এই সংগ্ৰহ অনুদান যোৱা বছৰৰ তুলনাত সাত লাখ ছত্ৰিশ হাজাৰ পাউণ্ড অধিক বেছি; আৰু ইয়াতে অংশগ্ৰহণ কৰাৰ সংখ্যা ১৫ লাখ ৫১ হাজাৰ আলহামদুলিল্লাহ-

সংগ্ৰহ কৰাৰ ক্ষেত্ৰত দহটা জামাত: বৃটেইন, কানাডা, জাৰ্মান, আমেৰিকা, ভাৰত, অষ্ট্ৰেলিয়া, মিডিল ইষ্টৰ এটা জামাত, ইণ্ডোনেচীয়া, মিডিল ইষ্টৰ এটা জামাত,বেলজিয়াম, অন্তৰ্ভুক্ত বৃদ্ধিৰ ক্ষেত্ৰত স্থান লাভ কৰা জামাত: পাকিস্তান, নাইজেৰিয়া, কেমৰুন, ছেৰালিউন, গেম্বিয়া, কোংগো, ব্ৰাজিল।

ভাৰতৰ প্ৰথম দহটা ৰাজ্য: কেৰালা, তামিলনাডু, জম্মু-কাশ্মিৰ, কৰ্নাটক, তেলেংগানা, উৰিষ্যা, পঞ্জাৱ, পশ্চিম বংগ, মহাৰাষ্ট্ৰ আৰু উত্তৰপ্ৰদেশ। ভাৰতৰ প্ৰথম দহটা জামাত: কোৱেম্বাটৰ, কাদিয়ান, হায়দৰাবাদ, কালিকাট, মেঞ্জেৰী, বাঙ্গালুৰু, মালয়াপালায়ম,কলিকতা, কেৰেং আৰু কেৰুলাই।

হুজুৰ কৈছে আল্লাহ তা'লা কোৰবাণী কৰোঁতাৰ ধন-সম্পদ আৰু আত্মাত অন্তহীন কল্যাণ দান কৰক। নৱ বৰ্ষৰ উদ্ধৃতিত দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰি কয় যে ২০২৫ চনৰ বছৰ যেন জামাতৰ সপক্ষে কল্যাণময় হয়। আল্লাহ তা'লা জামাতক সকলো ধৰণৰ বিপদৰ পৰা সুৰক্ষিত ৰাখক। পাকিস্তানত উগ্ৰপন্থীৰ দলে প্ৰত্যেক ধৰণৰ অত্যাচাৰ কৰাৰ প্ৰয়াস কৰি থাকে। আল্লাহ তা'লা সেই অত্যাচাৰীক অতি সোনকালে গ্ৰেপ্তাৰী কৰক। আহমদীসকলক নিজৰ সুৰক্ষাত ৰাখক। ৰাবৰাৰ ফালে সেই উগ্ৰপন্থীৰ দৃষ্টি অধিক বেছি। আল্লাহ তা'লাই সিহঁতক সুৰক্ষা কৰক। হুজুৰ আকৌ কয় যে দৰূদ শ্বৰীফ আৰু কিছুমান দোৱাৰ ফালে মই কিছু দিন আগতে মনোযোগ আকৰ্ষণ কৰিছিলোঁ; এইদৰে পাকিস্তান, বাংলাদেশ, ছিৰিয়া আৰু আফ্ৰিকাৰ কিছু দেশ আছে; আল্লাহ তা'লা সকলো ঠাইতে আহমদীসকলক নিৰাপদে ৰাখক। প্ৰতিজন আহমদীয়ে দোৱা কৰাটো ফৰজ বুলি ভাৱি দোৱা কৰিব।

নিজৰ দেশৰ বাবে আৰু পৃথিৱীৰ সাধাৰণ পৰিস্থিতি আৰু যুদ্ধ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে দোৱা কৰিব। আল্লাহ্ তা’লা ইয়াৰ কু-প্ৰভাৱৰ পৰা সকলো নিৰ্দোষ আৰু নিপীড়িত সকলক ৰক্ষা কৰক।

লোকসকলে নৱবৰ্ষত আনন্দ উৎযাপন কৰে চাৰিওফালে বৰ আনন্দ দেখা পোৱা যায়। অইনসকলৰ দুখ কষ্টৰ প্ৰতি কোনো অনুতাপ নকৰে। শক্তিশালী শাসনে দুখীয়া আৰু নিপীড়িত লোক সকলৰ ওপৰত অত্যাচাৰ কৰি আছে। আল্লাহ্ তা’লা এই বছৰত সেই সকলো শক্তিশালী জাতি সমূহৰ পৰিকল্পনা ধূলিসাৎ কৰি দিয়ক। আল্লাহ্ তা’লাৰ একত্ববাদ প্ৰতিষ্ঠিত হোৱা যেন আমি দেখিবলৈ পাওঁ। আল্লাহ্ তা’লা আমাক ইয়াৰ সৌভাগ্য দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهٗ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 3 JANUARY 2025**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB